# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-10-2024
**Time :** 1800 Hrs

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - - - -***

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজি শুক্লা প্ৰতিপদৰ পৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে নৱৰাত্ৰি পূজা আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰম্ভ হোৱা নৱৰাত্ৰি উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে মহাষষ্ঠীৰ সন্ধিয়া বেলবৰণ কৰাৰ পাছতে সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। দুৰ্গা পূজাৰ উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তুলিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

০০০০০০০

সমাগত দুৰ্গা পূজাৰ পৰিপ্ৰেক্ষিতত জিলাই জিলাই প্ৰশাসনে পূজা সমিতিসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। পূজা সুকলমে অনুষ্ঠিত কৰাৰ সন্দৰ্ভত গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি আৰক্ষী প্ৰশাসনৰ সৈতে মহানগৰীৰ পূজা সমিতিসমূহৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিসমূহলৈ দিয়া নিৰ্দেশনা অনুসৰি প্ৰতিখন পূজা মণ্ডপত সুৰক্ষাৰ সুব্যৱস্থা কৰাৰ লগতে প্ৰাথমিক চিকিৎসা ব্যৱস্থা উপলব্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। মণ্ডপত চিচি টিভি কেমেৰাৰ সংস্থাপন, প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাৰ লগতে পৰিবেশ অনুকূল সামগ্ৰীৰে পূজা মণ্ডপ নিৰ্মাণ আদিৰ বিষয়ে উল্লেখ কৰা হৈছে। শব্দ প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি মণ্ডপসমূহত পুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ ৫৫ ডেচিবেলতকৈ অধিক শক্তিশালী স্বৰত মাইক বজোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাখনত প্ৰতিখন পূজা মণ্ডপত অগ্নিনিৰ্বাপন আৰু খোৱাপানীৰ উপযুক্ত ব্যৱস্থা কৰাৰ লগতে প্ৰশাসনৰ জৰুৰীকালীন ফোন নম্বৰসমূহ মণ্ডপত আঁৰি ৰাখিবলৈ নিৰ্দেশ দিছে।

ইপিনে, কোনো ৰাজহুৱা স্থানত মণ্ডপ নিৰ্মাণ নকৰিবলৈ আৰু মণ্ডপ নিৰ্মাণ কৰোতে প্ৰাকৃতিক সম্পদ তথা ৰাজহুৱা সম্পত্তি নষ্ট নকৰিবলৈ নিৰ্দেশনাত উল্লেখ আছে। লগতে পূজা মণ্ডপ আৰু কাষৰীয়া অঞ্চলসমূহৰ পৰা সুৰা তথা অন্যান্য মাদক দ্ৰব্য সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰিবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। এই সন্দৰ্ভত কামৰূপ মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই এইদৰে কয় -

-ভইচ কাষ্ট-

০০০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনটোতে হাৰিয়ানা বিধানসভা

নিৰ্বাচনৰো ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব। প্ৰচাৰৰ আজি অন্তিম দিনা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমবালা বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰত অংশগ্ৰহণ কৰিছে। ইপিনে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালায়াত আৰু ছফিড' বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেইবাটাও বিধানসভা সমষ্টিত নিজৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। ইফালে, ইণ্ডিয়ান নেচনেল লোক দলৰ নেতা অভয় সিং চৌতালাইও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লৈছে।

নিৰ্বাচন আয়োগে পৰহিলৈ সন্ধিয়া চাৰে ৬ বজা পৰ্যন্ত একজিট পুল প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে। ছপা মাধ্যম, বৈদ্যুতিন সংবাদ মাধ্যম বা আন কোনো সংস্থাই নিৰ্ধাৰিত সময়তকৈ পূৰ্বে একজিট পুল প্ৰকাশ কৰিব নোৱাৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি নামনি অসমৰ কেইবাখনো জিলাৰ লগতে ডিব্ৰুগড়, তিনিচুকীয়া আৰু কাছাৰ জিলাত চলিত সপ্তাহটোত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ডিমা হাছাও আৰু পশ্চিম কাৰ্বি আংলং জিলাত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে।

০০০০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয়ৰ দিব্যাংগ ছাত্ৰ-ছাত্ৰী জলপানি আঁচনিৰ অধীনত ইচ্ছুক শিক্ষাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। এই আঁচনিৰ অধীনত মাহে ২০০ টকাকৈ প্ৰাথমিক বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈকে অধ্যয়নৰত দিব্যাংগ ছাত্ৰ-ছাত্ৰীক জলপানি দিয়াৰ ব্যৱস্থা আছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে অহা ১৬ অক্টোবৰৰ ভিতৰত সংশ্লিষ্ট জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ত আবেদন দাখিল কৰিব লাগিব।

০০০০০০০

সমাপ্ত